জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬২৭/২০২০

# বিশিষ্ট শিক্ষাবিদ, বুৰঞ্জীবিদ, সমাজকৰ্মী বীৰেন্দ্ৰ কুমাৰ গগৈৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৮ ছেপ্টেম্বৰ ঃ** বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, বুৰঞ্জীবিদ, ক্ৰীড়া সংগঠক, ৰাজনীতিবিদ, সমাজকৰ্মী তথা মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বীৰেন্দ্ৰ কুমাৰ গগৈৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ গগৈয়ে ৰাজ্যখনৰ শিক্ষা, সাহিত্য, ক্ৰীড়া আৰু সমাজ জীৱনলৈ যি বৰঙনি আগবঢ়াই গ'ল সেয়া সমগ্ৰ ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। মৰাণ অঞ্চলৰ কেইবাখনো শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি অঞ্চলটোৰ বিদ্যায়তনিক দিশৰ উন্নয়নৰ বাবে তেখেতে যথেষ্ট বৰঙনি আগবঢ়াই গৈছে। এগৰাকী বিশিষ্ট বুৰঞ্জীবিদ, ক্ৰীড়া সংগঠক আৰু ৰাজনীতি ক্ষেত্ৰৰ লগত জড়িত ব্যক্তি হিচাপে তেওঁ সংশ্লিষ্ট ক্ষেত্ৰসমূহলৈ অমূল্য বৰঙনি আগবঢ়াই গৈছে। মৰাণ অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ দিশতো তেখেতে অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ গগৈৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**১৮/০৯/২০২০**